জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৬৩/২০২২**

**অ-বড়ো ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত জীৱন আহুতি দিয়া ১৮ গৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান মুখ্যমন্ত্ৰীৰ**

# বড়ো ভূমিত উন্নয়নমূলক কাম-কাজেৰে বিকাশৰ গঙ্গা বোৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী

## বিবিধতা আমাৰ শক্তি, দুৰ্বলতা নহয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত অ-বড়ো ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত জীৱন আহুতি দিয়া ১৮ গৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টা আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ উদ্যোগত স্বাক্ষৰিত বড়ো চুক্তিত পৃথক ৰাজ্যৰ দাবীত চলা আন্দোলনৰ সময়ছোৱাত প্ৰাণাহুতি দিয়া বড়ো জনগোষ্ঠীৰ লোকসকলক ৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা ৰখা হৈছিল। এই আন্দোলনত জড়িত নথকা আন কিছু সংখ্যক লোকেও সেই সময়ছোৱাত বিভিন্ন কাৰণত জীৱন আহুতি দিব লগা হৈছিল। আজিৰ এই অনুষ্ঠানত সেই লোকসকলৰ নিকটাত্মীয়লৈ আৰ্থিক সাহায্য আগবঢ়াই ৰাজ্য চৰকাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় হিচাপে অনৈক্যৰ মাজত ঐক্য হৈছে আমাৰ শক্তি। বিবিধতা আমাৰ শক্তি, দুৰ্বলতা নহয় বুলি মন্তব্য কৰি তেওঁ কয় যে সংঘাতৰ মাজেৰে নতুন অসমৰ বুনিয়াদ ৰচনা নহয়। পাৰস্পৰিক বুজাবুজিৰ মাজেৰে আমি আগবাঢ়ি যাব লাগিব। নিজৰ জাতিসত্ত্বাৰ উন্নয়ন বিচৰাতো কেতিয়াও ভুল নহয় বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ জনজাতীয় লোকসকল সবাতোকৈ পুৰণি খিলঞ্জীয়া লোক। বুৰঞ্জীৰ এই সত্যক আমি নুই কৰিব নোৱাৰো। তেওঁ মন্তব্য কৰে যে আগন্তুক ১০ বছৰত বড়ো ভূমিত বড়ো জনগোষ্ঠীৰ লোকসকলৰ লগতে আন জনগোষ্ঠীৰ লোক বাস কৰা অঞ্চলসমূহলৈ বিভিন্ন উন্নয়নমূলক কাম-কাজেৰে বিকাশৰ গঙ্গা বোৱাই নিব লাগিব। বৰ অসম নিৰ্মাণত কৰবাত নহয় কৰবাত বৰঙণি যোগোৱা প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত থকা পূৰ্বৰ সৌহাৰ্দ্যপূৰ্ণ দিনবোৰ সৃষ্টিত সকলোৱে মনোনিৱেশ কৰিব লাগিব বুলিও মন্তব্য কৰি তেওঁ কয় যে সকলো সমস্যা আলোচনাৰ মাজেৰেহে সমাধান সম্ভৱ।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই বড়ো আন্দোলনৰ সময়তছোৱাত যিসকল আদিবাসী লোকে ঘৰ-মাটি হেৰুৱাই সৰ্বশ্ৰান্ত হৈছিল তেওঁলোকৰ কল্যাণৰ বাবে এটা বিশেষ পুঁজি আৱণ্টনৰ বাবে ৰাজ্য

চৰকাৰে চিন্তা-চৰ্চ্চা কৰিছে বুলিও কয়। তেনেদৰে, সমগ্ৰ বিটিআৰ অঞ্চলত যিসমূহ ঠাই এতিয়াও অতি পিছপৰি আছে তেনে ঠাইত পথ-দলং নিৰ্মাণ, অৰুণোদয় আঁচনিৰ সুবিধা সকলো শ্ৰেণীৰ লোকে যাতে সমমৰ্যাদাৰে লাভ কৰিব পাৰে সেই দিশত উদ্যোগ লোৱা হ'ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অ-বড়ো ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত জীৱন আহুতি দিয়া লোকৰ আন এখন তালিকাও সম্প্ৰতি প্ৰস্তুত কৰি থকা হৈছে। পৰৱৰ্তী সময়ত তেওঁলোকলৈও আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্ত মল্ল বৰুৱাই আঁতধৰা অনুষ্ঠানটোত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (বিশেষ শাখা) হীৰেণ নাথ, গৃহ বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰা, অ-বড়ো সুৰক্ষা সমিতিৰ উপদেষ্টা ব্ৰজেন মহন্ত, সভাপতি ললিত হেমব্ৰম, সম্পাদক মাধৱ ৰাজবংশীকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

নিঃকুঃদাঃ
৩১/০৫/২০২২